# REGIONAL NEWS UNIT
## ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 07-09-2024 **Time :** 0900 Hrs.

## *Assamese Morning Bulletin*
## HEADLINES

১। ৰাজ্যৰ প্ৰতিখন থানাৰ নাগৰিক সমিতিৰ প্ৰথম ৰাজ্যিক অভিৱৰ্তনৰ আয়োজন অসম আৰক্ষীৰ।

২। ধিঙৰ ধৰ্ষণকাণ্ডৰ পলাতক ২ অভিযুক্তৰ আৰক্ষীৰ ওচৰত আত্মসমৰ্পন।

৩। আজি গণেশ চতুৰ্থী। দেশৰ বিভিন্ন প্ৰান্তৰ লগতে অসমতো পৰম্পৰাগত ৰীতি-নীতিৰে পূজা-অৰ্চনা। ৰাষ্ট্ৰপতি আৰু উপ-ৰাষ্ট্ৰপতিৰ শুভেচ্ছা জ্ঞাপন।

*আৰু*

৪। যোৰহাটত ল'ৰাৰ চাব জুনিয়ৰ ৰাষ্ট্ৰীয় ফুটবল প্ৰতিযোগিতাৰ আজি দুখন খেল। খেল উদ্বোধন কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ।

০০০০০০০

অসম আৰক্ষীয়ে অসমৰ প্ৰতিখন থানাৰ নাগৰিক সমিতিৰ প্ৰথম ৰাজ্যিক অভিৱৰ্তনৰ আয়োজন কৰিছে। গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ আন্তৰ্ষ্ট্ৰীয় প্ৰেক্ষাগৃহত আজি দিনৰ ভাগত এই অভিৱৰ্তন অনুষ্ঠিত হ'ব। অভিৱৰ্তনত প্ৰত্যেকখন থানাৰ ভাৰপ্ৰাপ্ত বিষয়াৰ লগতে ৩০৭ খন থানাৰ নাগৰিক সমিতিৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিব। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা এই অভিৱৰ্তনত মুখ্য অতিথি হিচাপে উপস্থিত থাকি নাগৰিক সমিতিৰ প্ৰতিনিধিৰ লগত বাৰ্তালাপ কৰিব।

০০০০০০০

ধিঙৰ ধৰ্ষণকাণ্ডৰ পলাতক ২ অভিযুক্ত গোলাবুদ্দিন আৰু ফৰিদুল ইছলামে কালি নগাওঁ জিলা আৰক্ষী অধীক্ষকৰ ওচৰত আত্মসমৰ্পন কৰে। ঘটনা সংঘটিত হোৱাৰ পাছতে পলায়ন কৰা দুই অভিযুক্তৰ এজনে চুবুৰীয়া ৰাজ্য নাগালেণ্ডৰ ডিমাপুৰত আৰু আনজনে মৰিগাওঁত আত্মগোপন কৰি আছিল। অসম সংখ্যালঘু সংগ্ৰাম পৰিষদৰ কাৰ্যকৰী সভাপতি আবুবক্কৰ ছিদ্দিক আৰু সংগঠনটোৰ নগাঁও জিলা সমিতিৰ সভাপতিগৰাকীৰ প্ৰচেষ্টাত দুয়োকে কালি সন্ধিয়া নগাওঁ আৰক্ষী অধীক্ষকৰ কাৰ্যালয়ত হাজিৰ কৰোৱা হয়। সম্প্ৰতি দুয়োকে আৰক্ষীয়ে সোধা-পোচা অব্যাহত ৰাখিছে।

০০০০০০০০

ৰাজ্যৰ ১৯ খন জিলাৰ আয়ুক্তৰ সালসলনি ঘটোৱা হৈছে। ৰাজ্য চৰকাৰৰ কৰ্মচাৰী বিভাগৰ প্ৰধান সচিবে জাৰি কৰা এটা নিৰ্দেশনা অনুসৰি কামৰূপৰ আয়ুক্ত কীৰ্তি জলীক পঞ্চায়ত আৰু গ্ৰামোন্নয়নৰ আয়ুক্ত হিচাপে বদলি কৰা হৈছে। শিৱসাগৰৰ আয়ুক্ত দেৱকুমাৰ মিশ্ৰক কামৰূপৰ আয়ুক্ত হিচাপে বদলি কৰা হৈছে। কাছাৰৰ আয়ুক্ত হিচাপে কাৰ্যভাৰ চলাই থকা ৰোহন কুমাৰ ঝাক বৰপেটালৈ বদলি কৰা হৈছে। বিপৰীতে বৰ্তমানৰ বৰপেটাৰ আয়ুক্ত আয়ুষ গাৰ্গক শিৱসাগৰলৈ বদলি কৰা হৈছে। আনহাতে কৰিমগঞ্জৰ আয়ুক্ত মৃদুল যাদৱক কাছাৰৰ আয়ুক্ত হিচাপে বদলি কৰা হৈছে। গোলাঘাটৰ আয়ুক্ত ড০ পি উদয় প্ৰাবীনক উদ্যোগ-বাণিজ্য বিভাগৰ অতিৰিক্ত সচিব হিচাপে বদলি কৰা হৈছে। শিৱসাগৰৰ আয়ুক্ত আদিত্য বিক্ৰম যাদৱক মুখ্যমন্ত্ৰীৰ সচিবালয়ৰ যুটীয়া সচিব পদলৈ বদলি কৰা হৈছে। কোকৰাঝাৰৰ নতুন আয়ুক্ত হিচাপে মাছান্দা মাগদানিল পাৰ্টিনক নিযুক্তি দিয়া হৈছে। ওদালগুৰিৰ আয়ুক্ত জাবিৰ ৰাহুল সুৰেশক ধেমাজিৰ আয়ুক্ত হিচাপে বদলি কৰা হৈছে। আনহাতে কোকৰাঝাৰৰ বৰ্তমানৰ আয়ুক্ত পি কে ত্ৰিবেদিক কৰিমগঞ্জলৈ বদলি কৰা হৈছে। যোৰহাটৰ নতুন আয়ুক্ত হিচাপে জয় শিৱানিক নিযুক্তি দিয়াৰ বিপৰীতে লখিমপুৰৰ আয়ুক্ত গায়িত্ৰী দেৱী দাস হালিয়াঙক বিত্ত বিভাগৰ যুটীয়া সচিব পদলৈ বদলি কৰা হৈছে। মাজুলীৰ আয়ুক্ত কাবেৰী বৰকটকী শৰ্মাক ভূমি সংৰক্ষণ বিভাগৰ যুটীয়া সচিব পদলৈ বদলি কৰা হৈছে। বিপৰীতে মাজুলীৰ আয়ুক্ত হিচাপে ৰাতুল চন্দ্ৰ দাসক নিযুক্তি দিয়া হৈছে।

বাক্সাৰ নতুন আয়ুক্ত হিচাপে গৌতম দাসক কাৰ্যভাৰ দিয়া হৈছে। বিপৰীতে তামুলপুৰৰ আয়ুক্ত বিদ্যুৎ বিকাশ ভাগৱতীক হোজাইলৈ বদলি কৰা হৈছে। আনহাতে যোৰহাটৰ আয়ুক্ত পুলক মহন্তক গোলাঘাটৰ আয়ুক্ত হিচাপে বদলি কৰা হৈছে। চৰাইদেউৰ আয়ুক্ত নিবেদন দাস পাটোৱাৰীক পঞ্চায়ত গ্ৰামোন্নয়ন বিভাগৰ যুটীয়া সচিব পদলৈ আৰু দৰঙৰ আয়ুক্ত মুনিন্দ্ৰ নাথ ঙাটেক বিশ্বনাথলৈ বদলি কৰাৰ বিপৰীতে দৰঙৰ নতুন আয়ুক্ত হিচাপে পৰাগ কুমাৰ কাকতিক নিযুক্তি দিয়া হৈছে। ওদালগুৰিৰ নতুন আয়ুক্ত হিচাপে পুলক পাটগিৰীক নিযুক্তি দিয়াৰ বিপৰীতে ধেমাজিৰ আয়ুক্ত অংকুৰ ভৰালীক শোণিতপুৰলৈ বদলি কৰা হৈছে। ইফালে হোজাইৰ আয়ুক্ত লাচিত কুমাৰ দাসক লখিমপুৰলৈ আৰু ধুবুৰী জিলা উন্নয়ন বিষয়া পল্লৱ মজুমদাৰক মুখ্যমন্ত্ৰীৰ সচিবালয়লৈ বদলি কৰা হৈছে। তামুলপুৰৰ আয়ুক্ত হিচাপে পংকজ চক্ৰৱৰ্তীক নিযুক্তি দিয়াৰ বিপৰীতে বিশ্বনাথৰ আয়ুক্ত নেহা যাদৱক চৰাইদেউলৈ আৰু ধেমাজি জিলা উন্নয়ন আয়ুক্ত বিশ্বজিৎ ফুকনক ডিব্ৰুগড়ৰ মুখ্যমন্ত্ৰীৰ সচিবালয়লৈ বদলি কৰা হৈছে।

০০০০০০০০

ৰাজ্যৰ ৬ জনগোষ্ঠীৰ জনজাতিকৰণ সন্দৰ্ভত মন্তব্য কৰি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কৈছে যে কেন্দ্ৰই পূৰ্বৰেপৰা জনজাতীয় মৰ্যাদা লাভ কৰা জনজাতিসমূহৰ অসুবিধা নোহোৱাকৈ পূৰ্বৰ চৰকাৰে বিধানসভাত ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ প্ৰস্তাৱত সালসলনি কৰি নতুনকৈ প্ৰস্তাৱ প্ৰেৰণ কৰিবলৈ নিৰ্দেশ দিছে। বৰ্তমান ৰাজ্য চৰকাৰে কেন্দ্ৰই বিচৰা ধৰণে প্ৰস্তাৱ প্ৰস্তুতৰ বাবে চিন্তা-চৰ্চা কৰিছে। এপ্ৰিল পৰ্যন্ত কোনো সমাধান সূত্ৰ নোলালে পূৰ্বৰ চৰকাৰে লোৱা সিদ্ধান্ত সন্দৰ্ভত কংগ্ৰেছ দলৰ সৈতে আলোচনা কৰিব।

০০০০০

প্ৰেছ্ ইনফৰমেচন ব্যুৰোৰ তথ্য পৰীক্ষা গোটে অফিচিয়েল ৱেবছাইটৰ ৰূপত ব্যক্তিগত তথ্য বিচৰা প্ৰৱঞ্চনামূলক ৱেবছাইটৰ বিৰুদ্ধে সকিয়নি দিছে। তথ্য পৰীক্ষা গোটে কৈছে যে, প্ৰৱঞ্চনামূলক ৱেবছাইট "bsnltowerindia.com" এ প্ৰতাৰনামূলকভাৱে ফাইভ-জি টাৱাৰ স্থাপনৰ বাবে আবেদনৰ আমন্ত্ৰণ জনাইছে। প্ৰেছ্ ইনফৰমেচন ব্যুৰোৱে কৈছে যে, আবেদনৰ ঠিকনা বি এছ্ এন এলৰ সৈতে সম্পৰ্কিত নহয়। সেয়েহে এনে সন্দেহজনক ৱেবছাইটত ব্যক্তিগত তথ্য প্ৰদান নকৰিবলৈ পি আই বিয়ে সকলোকে আহ্বান জনাইছে। বি এছ্ এন এলৰ অফিচিয়েল ৱেবছাইট হৈছে "bsnl.co.in"।

০০০০

আজি গণেশ চতুৰ্থী। সমগ্ৰ দেশতে পুৰাৰে ধৰ্মীয় ৰীতি-নীতি আৰু উৎসাহ উদ্দীপনাৰে সিদ্ধি দাতা, বিঘিনী নাশক গণেশ দেৱতাৰ পূজা-অৰ্চনা আৰম্ভ হৈছে। জ্ঞান, সমৃদ্ধি আৰু সৌভাগ্যৰ প্ৰতীক ভগৱান গণেশৰ জন্মদিনৰ লগত সংগতি ৰাখি এই উৎসৱ পালন কৰা হয়।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু উপ ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে গণেশ চতুৰ্থী উপলক্ষে দেশৱাসীক ওলগ জনাইছে। ৰাষ্ট্ৰপতি মুৰ্মুৱে তেওঁৰ বাৰ্তাত কৈছে যে, উৎসাহ-আনন্দৰ এই উৎসৱে সামাজিক সম্প্ৰীতি আৰু ভাতৃত্বৰ বাৰ্তা বহন কৰে। তেওঁ কয় যে, ভগৱান গণেশ জ্ঞান, প্ৰজ্ঞা আৰু সমৃদ্ধিৰ প্ৰতীক আৰু গণেশ চতুৰ্থী উৎসৱে আমাক বিনয়ী আৰু কৰ্মপৰায়ণ হ'বলৈ উৎসাহ যোগোৱাৰ লগতে সামাজিক সংহতিৰ প্ৰসাৰত অৱিহনা যোগায়। ৰাষ্ট্ৰপতিগৰাকীয়ে লগতে জনসাধাৰণক গণেশ চতুৰ্থী উপলক্ষে এখন সমৃদ্ধিশালী আৰু শান্তিপূৰ্ণ ভাৰত গঢ়াৰ হকে সংকল্প গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে।

উপ ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে জনসাধাৰণলৈ শুভেচ্ছা জনাই কৈছে যে, জ্ঞান-সমৃদ্ধি আৰু সৌভাগ্যৰ প্ৰতিমূৰ্তি ভগৱান গণেশে কৌটি কৌটি লোকৰ হৃদয়ত বিশেষ স্থান অধিকাৰ কৰি আহিছে।

ৰাজ্যৰ গণেশ মন্দিৰসমূহত গণেশ দেৱতাৰ পূজা-অৰ্চনাৰ আয়োজন কৰা হৈছে। গোৱালপাৰা চহৰৰ বৰবজাৰ গণপতি পূজা সমিতিয়ে পৰম্পৰা ৰক্ষা কৰি গণেশ চতুৰ্থী পালন কৰিছে। আনহাতে চহৰখনৰ মেধিপাৰা, বেলতলা অঞ্চলতো ৰাজহুৱাভাৱে গণেশ পূজাৰ আয়োজন কৰা হৈছে। ইফালে ধুবুৰী জিলাতো সিদ্ধি দাতা গণেশ দেৱতাৰ পূজা-অৰ্চনাৰ ব্যাপক আয়োজন কৰা হৈছে। জিলাখনৰ গৌৰীপুৰৰ গণেশ মন্দিৰত পূজা-অৰ্চনাৰ বাবে ধৰ্মপ্ৰাণ ৰাইজৰ সমাগম হৈছে।

০০০০০

বিশ্ববিদ্যালয় অনুদান আয়োগৰ দ্বাৰা ঢকুৱাখানা মহাবিদ্যালয়ে শৈক্ষিক ক্ষেত্ৰখনৰ উত্তৰণত নৱ সংযোজন হিচাপে অট'নমাছ কলেজৰ স্বীকৃতি লাভ কৰিছে। ইফালে মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ উদ্যোগত কালি লখিমপুৰৰ নৰ্থ বেংক কলেজৰ ৬৪ সংখ্যক নৱাগত আদৰণি সভা অনুষ্ঠিত হয়। সভাত মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড০ নিৰোদ বৰুৱা, লখিমপুৰ জিলা পৰিষদৰ প্ৰাক্তন সভানেত্ৰী মঞ্জু বৰগোহাঁই, মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ যুগল শইকীয়া, চিকিৎসক তথা কবি ড০ প্ৰণয় ফুকন আদি উপস্থিত থাকে। অনুষ্ঠানত মহাবিদ্যালয় পৰিচালনা সমিতিৰ বিষয়ববীয়াসকলৰ লগতে ছাত্ৰ একতা সভাৰ বিষয়ববীয়া তথা সদস্যসকল, অধ্যয়নৰত ছাত্ৰসকলৰ লগতে মহাবিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীও উপস্থিত থাকে।

০০০০০০০০

ভাৰতৰ নিটিকাই কালি স্পেইনৰ প'ণ্টেৱেড্ৰাত অনুষ্ঠিত ২০ বছৰৰ অনুৰ্ধৰ বিশ্ব মল্লযুদ্ধ প্ৰতিযোগিতাৰ মহিলাৰ ৬২ কিলোগ্ৰাম ওজন শাখাৰ ফ্ৰী ষ্টাইল শিতানত ৰূপৰ পদক অৰ্জন কৰে। নিটিকাই ফাইনেলত ইউক্ৰেইনৰ মল্লযোদ্ধা ইৰিনা বোন্দাৰাৰ হাতত ১-৪ ফলাফলত পৰাজিত হয়। খেলুৱৈগৰাকীয়ে যোৱা বছৰ ২০ বছৰৰ অনুৰ্ধৰ এছিয়ান চেম্পিয়নশ্বিপত সোণৰ পদক লাভ কৰিছিল। ভাৰতে বৰ্তমানলৈকে ২০ বছৰৰ অনুৰ্ধৰ বিশ্ব মল্লযুদ্ধ প্ৰতিযোগিতাত এটা সোণ, এটা ৰূপ আৰু তিনিটা ব্ৰঞ্জসহ মুঠ ৫টা পদক লাভ কৰিছে।

০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে আজি নিশা ৮ বাজি ২ মিনিটৰ ফোন ইন দৃষ্টিপাত অনুষ্ঠানত **উত্তৰ পূৰ্বাঞ্চলত ৰেলৱেৰ আধুনিকীকৰণ** সন্দৰ্ভত আলোচনা প্ৰচাৰ কৰিব। এই অনুষ্ঠানত উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ মুখ্য জনসম্পৰ্কৰক্ষী বিষয়া কপিঞ্জল কিশোৰ শৰ্মা সমল ব্যক্তি হিচাপে উপস্থিত থাকিব। আগ্ৰহী শ্ৰোতাই অনুষ্ঠান চলি থকাৰ সময়ত ০৩৬১-২৬৬১৮৭৬ অথবা ২৬৬২৩২৫ নম্বৰত ফোন কৰি শ্ৰী শৰ্মাৰ সৈতে কথা পাতিব পাৰিব।

০০০০০০০০

কমতাপুৰ কোচ ৰাজবংশী আৰ্টিষ্ট ছ'ছাইটিৰ উদ্যোগত আজিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে চিৰাঙৰ বাসুগাঁও হেকৈপাৰাত তৃতীয় কমতা মিউজিক ফেষ্টিভেল আৰম্ভ হ'ব। বৰপেটা লোকসভা সমষ্টিৰ সাংসদ ফণীভূষণ চৌধুৰীয়ে পুৱা পতাকা উত্তোলনেৰে এই মহোৎসৱ মুকলি কৰিব। ইয়াৰ পাছতে কোচ ৰাজবংশী লোকনৃত্য, প্ৰতিনিধি সভা আদি অনুষ্ঠিত হ'ব। বিয়লি ৰাজ্যসভাৰ সাংসদ ৰনগৌৰা নাৰ্জাৰীয়ে মঞ্চ উদ্বোধন কৰাৰ লগতে কোকৰাঝাৰ লোকসভা সমষ্টিৰ সাংসদ জয়ন্ত বসুমতাৰীয়ে সাংস্কৃতিক সন্ধিয়া মুকলি কৰিব।

০০০০০০০০

কামৰূপ জিলাৰ হাজোত দক্ষিণ শিঙৰা গ্ৰেজিং ৰিজাৰ্ভত প্ৰশাসনে কালি উচ্ছেদ অভিযান চলায়। এই অনুসৰি প্ৰাক্তন মুখ্যমন্ত্ৰী বিষ্ণুৰাম মেধিয়ে গো-পালকৰ বাবে সংৰক্ষণ কৰা ১৫৩ বিঘা মাটি বেদখলকাৰীৰ কৱলৰ পৰা মুকলি কৰা হয়। অভিযোগ অনুসৰি দক্ষিণ শিঙৰা গ্ৰেজিং ৰিজাৰ্ভত একাংশ লোকে অবৈধভাৱে দখল কৰি শতাধিক সৰু-বৰ পুখুৰী খান্দি মাছ পালন কৰাৰ লগতে বাসগৃহ নিৰ্মাণ কৰিছিল। ফলত গো-পালকসকলে গৰু-ম'হ চৰোৱাত অসুবিধাৰ সন্মুখীন হৈ আহিছিল।

০০০০০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অসম, মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাত পৰৱৰ্তী ৭ দিনত ধাৰাসাৰ বৰষুণ হ'ব পাৰে বুলি আগলি বতৰা দিছে। বিভাগটোৱে লগতে গুজৰাট, মহাৰাষ্ট্ৰ আৰু পূব ৰাজস্থানত অহা দুদিনত নেৰানেপেৰা বৰষুণ হ'ব পাৰে বুলি প্ৰকাশ কৰিছে।

০০০০০০০০

সীমান্ত সুৰক্ষা বাহিনী, বি এছ্‌ এফে বৰ্ডাৰ গাৰ্ড বাংলাদেশ বিজিবিক ভাৰতীয় ভূখণ্ডত বাংলাদেশী নাগৰিকৰ অবৈধ প্ৰৱেশ ৰোধ কৰিবলৈ কৈছে। দুয়োটা বাহিনীয়ে ভাৰত-বাংলাদেশ সীমান্তৰ স্থিতি সম্পৰ্কে অলপতে এখন বৈঠকত মিলিত হয়। বৈঠকত বিজিবিয়ে বাংলাদেশত বাস কৰা ভাৰতীয় নাগৰিক আৰু সংখ্যালঘু সম্প্ৰদায়ৰ লোকৰ সুৰক্ষাৰ বাবে সকলো ধৰণৰ পদক্ষেপ লোৱাৰ আশ্বাস প্ৰদান কৰে। সীমান্ত সুৰক্ষা বাহিনী বি এছ্‌ এফে এটা বিবৃতি যোগে কৈছে যে, ভাৰত-বাংলাদেশ সীমান্তৰ পৰিস্থিতি সাধাৰণতে শান্তিপূৰ্ণ হৈ থাকে। বাহিনীটোৱে লগতে সীমান্তৱৰ্তী এলেকাসমূহত বাস কৰা জনসাধাৰণৰ সুৰক্ষা আৰু নিৰাপত্তাৰ আশ্বাস প্ৰদান কৰিছে। বি এছ্‌ এফৰ জোৱানসকলে বি জি বিৰ সৈতে লগলাগি আন্তঃৰাষ্ট্ৰীয় সীমান্তত ২৪ ঘণ্টাই পহৰা দি আছে বুলিও বাহিনীটোৱে প্ৰকাশ কৰিছে।

০০০০০০০

নগাওঁ মহাবিদ্যালয়ে নিজাববৰীয়াকৈ নগাঁও, মৰিগাওঁ আৰু কাৰ্বি আংলঙৰ কৃষকসকলক যন্ত্ৰৰ জৰিয়তে এড়ি সূতাৰ আহ কটা আৰু প্ৰাকৃতিক ৰং মিশ্ৰনৰ প্ৰশিক্ষণৰ ব্যৱস্থা কৰি আহিছে। ৰাজ্যৰ বাহিৰত থলুৱা এড়ি মুগাৰ বৃহৎ বজাৰখনৰ প্ৰতি লক্ষ্য ৰাখি থলুৱা উদ্যোগটোক অধিক শক্তিশালী কৰাৰ মানসেৰে দীৰ্ঘদিন ধৰি নগাওঁ মহাবিদ্যালয়ে এই ক্ষেত্ৰত বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰি আহিছে। ইয়াৰ অংশস্বৰূপে মহাবিদ্যালয়খনত কালি কৃষকসকলক মটৰযুক্ত সূতা কটা যন্ত্ৰ প্ৰদান কৰা হয়।

০০০০০০০০

কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে যোৰহাট ক্ৰীড়া সন্থাৰ উদ্যোগত আজি অনুষ্ঠিত হ'বলগীয়া ল'ৰাৰ চাব জুনিয়ৰ ৰাষ্ট্ৰীয় ফুটবল প্ৰতিযোগিতাখন উদ্বোধন কৰিব। আজি প্ৰতিযোগিতাৰ প্ৰথম দিনা যোৰহাটত দুখন খেল অনুষ্ঠিত হ'ব। পুৱা ৯ বজাত হ'বলগীয়া প্ৰথমখন খেলত লাক্ষাদ্বীপ তেলেংগানাৰ সন্মুখীন হ'ব। প্ৰতিযোগিতাৰ দ্বিতীয়খন খেলত ঘৰুৱা দল অসমে মধ্য প্ৰদেশৰ বিৰুদ্ধে খেলপথাৰত নামিব। খেলখন বিয়লি ৩ বাজি ১৫ মিনিটত আৰম্ভ হ'ব। প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবৰ বাবে বিভিন্ন ৰাজ্যৰ পৰা কেইবাটাও দল আহি যোৰহাটত উপস্থিত হৈছে। যোৰহাট ক্ৰীড়া সন্থাই সকলো দলকে আদৰণি জনোৱাৰ লগতে প্ৰতিযোগিতাৰ বাবে সকলোকে শুভেচ্ছা জ্ঞাপন কৰিছে।

০০০০০০০০

ডিব্ৰুগড়ত কালি মুখ্যমন্ত্ৰীৰ সচিবালয় মুকলি হোৱা সন্দৰ্ভত গুৱাহাটীৰ পৰা আজি প্ৰকাশিত প্ৰায় আটাইকেইখন কাকতেই আলোকচিত্ৰসহ ভিন ভিন শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। এই সন্দৰ্ভত দৈনিক জনমভূমি কাকতে ডিব্ৰুগড়ক দ্বিতীয় ৰাজধানীৰ মৰ্য্যাদা, নিয়মীয়া বাৰ্তা কাকতে ডিব্ৰুগড়ৰ শিৰত ৰাজ্যৰ দ্বিতীয় ৰাজধানীৰ গৰিমা, আমাৰ অসম কাকতে ৯ খন জিলা নিয়ন্ত্ৰিত হ'ব ডিব্ৰুগড়ৰ পৰা শিৰোনামেৰে মুখ্য বাতৰি হিছাপে বাতৰিটো প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। ধিং কাণ্ডৰ অন্য দুজন পলাতক অভিযুক্তই কালি আৰক্ষীৰ ওচৰত আত্মসমৰ্পণ কৰা সন্দৰ্ভত আজি গুৱাহাটীৰ পৰা প্ৰকাশিত প্ৰায় আটাইকেইখন কাকতে বাতৰিটো গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে। গুৱাহাটীৰ পাহাৰ কাটি খাষ্টাং কৰা আৰু কলা ব্যৱসায় চলি থকা থকা সন্দৰ্ভত দৈনিক অসম কাকতে বাতৰিটো প্ৰথম পৃষ্ঠাত পৰিৱেশন কৰিছে।

১৯৫০ চনত চৰকাৰে ৰাজপত্ৰিত অধিসূচনাৰ জৰিয়তে খিলঞ্জীয়াৰ সংজ্ঞা নিৰ্ধাৰণ কৰিছিল যদিও চৰকাৰে গুৰুত্ব নিদিয়াৰ অভিযোগ উত্থাপন হৈছে। এই সন্দৰ্ভত দৈনিক জনমভূমি কাকতে বাতৰিটো গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে। চৰকাৰী পক্ষৰ সাক্ষীৰ বিপৰীত স্থিতি গ্ৰহণ কৰি পূৰ্বৰ ভাষ্য সলনি কৰাৰ অভিযোগত সুকন্যা শৰ্মাৰ বিৰুদ্ধে গোচৰ ৰুজু আৰু কাৰণ দৰ্শোৱাৰ জাননী জাৰি কৰা হৈছে। এই বাতৰিটো দৈনিক অসম, আমাৰ অসম আৰু THE ASSAM TRIBUNE কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। অসমত স্মাৰ্ট মিটাৰ যোগানৰ ঠিকা লাভ কৰা এটা বহিৰাগত প্ৰতিষ্ঠান গোৱাত ব্লেকলিষ্টেড হোৱা আৰু উত্তৰ প্ৰদেশত বিতৰ্কৰ সৃষ্টি কৰা সন্দৰ্ভত অসমীয়া খবৰ কাকতে বাতৰিটো প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। জলবায়ু পৰিৱৰ্তনৰ ফলত অসমৰ ৬০% জিলা আশংকাজনক বুলি দৈনিক অগ্ৰদূত কাকতে এটা বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। মানি ট্ৰেডিং চলোৱাৰ অভিযোগত গ্ৰেপ্তাৰ হোৱা চিআইদিৰ লেন্সনায়ক সৰোজ ডেকাক চাৰিদুৱাৰ আৰক্ষীয়ে জেৰা ছলাইছে। এই বাতৰিটো প্ৰায় আটাইকেইখন কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে: চক্ৰ বিষয়াৰ পদ পাব সকলো এচিএছে, কাৰ্যকাল দুবছৰীয়া, মণিপুৰৰ প্ৰাক্তন মূখ্যমন্ত্ৰীৰ ঘৰত ৰকেট আক্ৰমণ, ভয়াবহ ৰূপ লৈছে হিংসাই, গুৱাহাটী বিশ্ববিদ্যালয়ত আকৌ ৰেগিংৰ সন্ত্ৰাসত, ছাত্ৰী নিবাসত খালী মদৰ বটল, হঠাৎ বন্ধ হ'ল মাজুলী- যোৰহাট সংযোগী দলঙৰ কাম , সুচকাংকৰ পতনেৰে শ্বেয়াৰ বজাৰত আকৌ জোকাৰণি, কংগ্ৰেছত যোগদান বিনেশ ফোগাত - বজৰং পুনিয়াৰ, ৩৭০ নম্বৰ অনুচ্ছেদ ইতিহাস হ'ল আৰু কেতিয়াও ঘূৰি নাহে: অমিত শ্বাহৰ ঘোষণা ইত্যাদি।

এয়াই আছিল গুৱাহাটীৰপৰা আজি প্ৰকাশিত বাতৰিকাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

000000

সমাপ্ত